# অসম আদিত্য

RNI REGN. No.
epaper.a
Portal : ww
e-mail : as

২৮ চ'ত, ১৯৪৬ শক ■ শুকুৰবাৰ, ১১ এপ্ৰিল, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, April 11, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশি

সদায় পুৱা
খোৱাটো শ
নহৰুৰে পেট
আদি নোহো
ৰোগ প্ৰতি



কানৈ মহাবিদ্যালয়ত বিশিষ্ট চিকিৎসক, সু-সাহিত্যিক, অসম আদিত্যৰ মুখ্য সম্পাদক নিৰ্মল চাহেৰালা

## কঠোৰ পৰিশ্ৰমৰ লগতে সন্মুখলৈ অহা প্ৰত্যাহ্বান সাহসেৰে মোকাবিলা কৰিলেহে জীৱনলৈ আহে সফলতা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১০ এপ্ৰিল ঃ** সফলতাৰ পথ সহজ নহয়। সফলতা লাভ কৰিবলৈ জীৱনত কঠোৰ পৰিশ্ৰম আৰু সন্মুখলৈ অহা প্ৰত্যাহবানসমূহ সাহসেৰে মুখামুখি হোৱা উচিত।— ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ ষষ্ঠ যাণ্মাসিকৰ আৱাসীসকলৰ ৯ এপ্ৰিলত অনুষ্ঠিত বিদায় সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি 'অসম আদিত্য'ৰ মুখ্য সম্পাদক, বিশিষ্ট চিকিৎসক, সু-সাহিত্যিক ডাঃ নিৰ্মল চাহেৰালাই এইদৰে কয়। মহাবিদ্যালয়ৰ মুখ্য দ্বাৰৰ পৰা ছাত্ৰী নিৱাসৰ ছাত্ৰীসকলে আৰতি কৰি পুষ্পাঞ্জলিৰে উষ্ম আদৰণি জনাই সভাগৃহলৈ অনা অনুষ্ঠানত ডাঃ চাহেৰালাই কয়— জীৱনলৈ কেতিয়াবা নভবাকৈ পৰিৱৰ্তন আহে। দীন-দৰিদ্ৰ, পৰিৱেশৰ অভাৱৰ ফলতো কেতিয়াবা মানুহে সফল হ'ব পাৰে। তেওঁৰ জীৱনৰ উদাহৰণ দাঙি ধৰি কয়— তেওঁ ভবা নাছিল যে এদিন তেওঁ চিকিৎসা বিজ্ঞান পঢ়িব আৰু চিকিৎসক হ'ব। কিন্তু তেওঁ কৰা কষ্টৰ ফলত আওহতীয়া অঞ্চলত ৯ পৃষ্ঠাত

RI
Po
e-

# অসম আদিত্য

চ'ত, ১৯৪৬ শক ■ শুকুৰবাৰ, ১১ এপ্ৰিল, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, April 11, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি

চিআৰপিএফক সমালোচনা

## নগা প্ৰশাসনৰ নিষেধাজ্ঞাৰ বিৰুদ্ধে মেৰাপানীত কৃষকৰ উত্তাল প্ৰতিবাদ

বাদক, গোলাঘাট, ১০ মাৰ্চ ঃ গোলাঘাট জিলাৰ ানী বীজপাম তথা ছীডফাৰ্মত অসমীয়া কৃষকৰ মিত নগাৰ প্ৰশাসনে নিষেধাজ্ঞা জাৰি কৰা কাণ্ডক কৰি আজি মেৰাপানীত হাজাৰ হাজাৰ কৃষকে দ সাব্যস্ত কৰি মেৰাপানীৰ ৰাজপথ ৯ পৃষ্ঠাত

বিশেষ বিমানত অ

ম্ভাই কা

## কঠোৰ পৰিশ্ৰমৰ লগতে

জন্ম হ'লেও তেওঁৰ পৰিশ্ৰমৰ ফলত সপোনবোৰ পূৰণ হ'ল। ছাত্ৰীসকলক জীৱনত কঠোৰ পৰিশ্ৰম, লক্ষ্য আৰু উদ্দেশ্য আগত লৈ জীৱনৰ সঠিক দিশত আগুৱাই যাবলৈ তেওঁ আহ্বান জনায়। অনুষ্ঠানত উপস্থিত সকলোকে আদৰণি জনাই কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— আজিৰ দিনটো আনন্দ কৰাৰ দিন নহয়। আজিৰ দিনটো এক আবেগিক দিন। মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস কেৱল এটা আৱাস নহয় বুলি উল্লেখ কৰি তেওঁ কয়— এয়া হ'ল জ্ঞান, বিজ্ঞান, প্ৰজ্ঞা, অভিজ্ঞতা, শিক্ষা আহৰণৰ এটুকুৰা ঠাই। ছাত্ৰী নিবাসত মানুহে জীয়াই থকাৰ উপলব্ধি কৰিব পাৰে বুলি তেওঁ সদৰী কৰি কয় যে ছাত্ৰী নিবাসত লাভ কৰা অভিজ্ঞতা আৰু শিক্ষা সদায় হৃদয়ত ৰাখিবলৈ আহ্বান জনায়। তেওঁ ছাত্ৰীসকলক সপোনৰ বাটেদি আগুৱাই গৈ নিজকে ভৱিষ্যতৰ শ্ৰেষ্ঠ নাগৰিক হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। বিদায়ী ছাত্ৰীসকলক অন্যান্য কনিষ্ঠ ছাত্ৰীসকলে মঞ্চলৈ আদৰি আনে আৰু এক আবেগিক, কৰুণ পৰিৱেশৰ সৃষ্টি হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰী নিবাসৰ ছাত্ৰীসকলে গীত-নৃত্য পৰিৱেশনেৰে উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱা, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, ছাত্ৰ সম্পৰ্ক সমন্বয়ক ড° জ্যোতিপ্ৰসাদ ফুকন, ছাত্ৰী নিবাসৰ অধীক্ষিকা উৰ্মিলা ৰামছিয়াৰী আৰু প্ৰাক্তন উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, মৰাণ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অসীমাভা দত্তই ছাত্ৰীসকলক উদ্দেশ্যি মননশীল বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে এই অনুষ্ঠানতে ছাত্ৰী নিবাসৰ বাৰ্ষিক আলোচনী 'প্ৰতীতি'ৰ দ্বিতীয় সংখ্যাটি উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। ইয়াৰ পূৰ্বে বন্তিপ্ৰজ্বলন কৰে মুখ্য অতিথি ডাঃ নিৰ্মল চাহেৱালাই।

নিৰ্বাচনৰ

সামাজিক আন্দোলনসমূহক পৰিচালিত কৰা অসমৰ শ্ৰমিক শ্ৰেণীৰ বৃদ্ধি ইয়াৰ জনসংখ্যাৰ তুলনাত অতি ক্ষুদ্ৰ। অসমত শ্ৰমিক শ্ৰেণীৰ বহু বৈশিষ্ট্য যেনে প্ৰব্ৰজিত শ্ৰমিকৰ ভূমিকা প্ৰধান আছিল

ঘটিছিল আৰু তেওঁ
অৰ্থনীতিত উদ্ভৱ

## ২৭ খন নিৰ্বাচনী সভাত ভোট বি

জিলা পৰ্যায়ত ৰাজ্যিক প্ৰতিনিধি প্ৰেৰণ কৰি আলোচনা অনুষ্ঠিত কৰাই সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰি ৰাইজৰ সমৰ্থিত আৰু উভয় দলৰ সমৰ্থিত প্ৰাৰ্থীক প্ৰাৰ্থিত্ব প্ৰদান কৰি প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰে জয় সুনিশ্চিত কৰিবলৈ প্ৰতিগৰাকী কাৰ্যকৰ্তালৈ অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আহ্বান জনাইছে। ৩৯৭ খন জিলা পৰিষদ আসনৰ ভিতৰত বুধবাৰৰ নিশাই সংবাদমেলৰ জৰিয়তে ৩১৮ খন আসনৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে ৰাজ্যিক বিজেপিয়ে। ইয়াৰে ৭৪ খন আসনত অগপ দলক প্ৰদান কৰাৰ বিপৰীতে আন আন মিত্ৰদলসমূহকো বিচৰা ধৰণেৰে আসন এৰি দিছে প্ৰদেশ বিজেপিয়ে। এই সংক্ৰান্তত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই উল্লেখ কৰে যে মিত্ৰদলসমূহৰ সৈতে মিত্ৰতা ধৰ্ম তেওঁলোকে বিচৰা ধৰণেৰে পালন কৰিলে মিত্ৰতা অতি গাঢ় হয়। যিটো গণতান্ত্ৰিক ব্যৱস্থাত অতি প্ৰয়োজনীয়। কেৱল মিত্ৰতা কৰিলেই নহ'ব মিত্ৰতাৰ ধৰ্ম সততা আৰু মৰ্যাদাৰে পৰিপূৰ্ণ কৰিব লাগিব। বিৰোধী মিত্ৰতাৰ নামত চিৰালফাট দিছে। আমি বিচাৰোঁ পঞ্চায়ত নিৰ্বাচনত তেওঁলোকে শক্তিশালীভাৱে যুঁজ দিয়ক। ইতিমধ্যে ভাৰতীয় জনতা পাৰ্টিয়ে জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীৰ নাম কালি নিশাই ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত

বৃহস্পতিবাৰে ভালে
পৰিলক্ষিত হয়। ৩
আসনৰ প্ৰাৰ্থীও বৃহ
খন আসনৰে ৪ খন
প্ৰদান কৰিছে। এই ৪
মহিলা প্ৰাৰ্থীক অগ্ৰ
২,১৫৭ খন আঞ্চ
আৰু মণ্ডল পৰ্যায়
বটোৱাৰা কৰা হয়
পত্ৰ দাখিলৰ পিছ
কাৰ্যকৰ্তাসকল না
মুখ্যমন্ত্ৰী ড° হিমন্ত
কৰাৰ বিপৰীতে
অৰ্ধশতাধিক প্ৰচাৰ
সকলো জড়িত হৈ
দলৰ অভ্যন্তৰীণ
দল বিজেপি আৰু
নিৰ্বাচনত নিজকে

## বৰেণ্য ভাষাবিদ, অধ্যাপক ড°